# ARYAN

## YEAR: 1965-66

## EDITOR:Khanindra Ranjan Das

# ARYAN

# এৰিয়ান

১৯৬৫-৬৬ চন

৭ম সংখ্যা

# এৰিয়ান

## আৰ্য্যবিদ্যাপীঠ কলেজ আলোচনী

৭ম বছৰ ঃ ৭ম সংখ্যা
১৯৬৫-৬৬

সম্পাদক ঃ
খনীন্দ্ৰ ৰঞ্জন দাস

সহঃ সম্পাদক
ৰজনী কান্ত শৰ্ম্মা

এৰিয়ান

৭ম বছৰ : ৭ম সংখ্যা
১৯৬৫-৬৬ চন

বেটুপাত শিল্পী
ধুৰ্জ্জতি শৰ্ম্মা
ভবলুমুখ

লক্ষ্মী প্রিণ্টিং প্রেছ,
পানবজাৰ : গুৱাহাটী

# সূচী পত্ৰ

## অসমীয়া বিভাগ

**প্ৰবন্ধ**

| | | |
|---|---|---|
| দুৰবাৰ কবিতাত নিৰাশাবাদ | ... ১ | পৰমেশ শীল প্ৰাকবিশ্ববিদ্যালয়, কলা |
| কবি গনেশ গগৈ আৰু তেওঁৰ কবিতা | ... ৫ | ৰজনী কান্ত শৰ্ম্মা প্ৰথম বাৰ্ষিক, কলা |
| ৰামায়ণ—এটি দৃষ্টিপাত | ... ১০ | অধ্যাপক ৰাধানাথ শৰ্ম্মা |
| কথাগুৰু চৰিতত সমাজৰ ছবি | ... ১৪ | যোগেন্দ্ৰ নাথ মেধি তৃতীয় বাৰ্ষিক, কলা |

**কবিতা**

| | | |
|---|---|---|
| চিৰন্তন | ... ১৯ | উপেন্দ্ৰ নাথ শৰ্ম্মা প্ৰথম বাৰ্ষিক, কলা |
| কিছুমান সুন্দৰ | ... ২০ | লক্ষ্মীকান্ত দাস দ্বিতীয় বাৰ্ষিক, বিজ্ঞান |
| দুটা কবিতা | ... ২১ | সত্য খনিকৰ প্ৰথম বাৰ্ষিক, ক'লা |
| যাত্ৰী | ... ২২ | কুমাৰী যুতিকা বুজৰ বৰুৱা দ্বিতীয় বাৰ্ষিক, বিজ্ঞান |
| দুটা কবিতা | ... ২৩ | অধ্যাপক উমেশ চক্ৰবৰ্ত্তী |

**গল্প**

| | | |
|---|---|---|
| যাযাবৰ সঙ্গীত | ... ২৪ | ভাৰত চন্দ্ৰ শৰ্ম্মা প্ৰাক বিশ্ববিদ্যালয়, কলা |
| শলিতা নীৰৱে জ্বলে | ... ৩৩ | জ্যোতিৰ্ময়ী চৌধুৰী তৃতীয় বাৰ্ষিক, কলা |
| ভূমিকা | ... ৩৮ | মিহিৰ ফাংচ প্ৰথম বাৰ্ষিক, কলা |
| প্ৰত্যুত্তৰ | ... ৪৩ | জিতৰাম কলিতা দ্বিতীয় বাৰ্ষিক কলা |
| সংঘাট, পিৰীতি, সন্তান | ... ৪৮ | পশুপতি হাজৰিকা দ্বিতীয় বাৰ্ষিক, কলা |
| বধূমলা | ... ৫৩ | অধ্যাপক দুৰ্গেশ্বৰ শৰ্ম্মা |
| **সম্পাদকীয়** | ... ৫৭ | |

## শ্ৰদ্ধাঞ্জলি ঃ

যোৱা খাদ্য আন্দোলনত যিসকল ছাত্ৰ-বন্ধুৱে জীৱনৰ বিনিময়ত মহা জীৱনৰ প্ৰতিশ্ৰুতি দি থৈ গ'ল ; যিসকলে মৃত্যুৰ মাজেদি, দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জনালে, সেইসকলৰ আত্মাৰ জ্যোতি আমাৰ জীৱনৰ পাথেয় হওক, এয়ে আমাৰ অন্তৰৰ কামনা।

"সহ ঃ সম্পাদক"



কাঞ্চনজঙ্ঘাত সূর্যোদয়

সংগ্রাহক : রজনী কান্ত শর্ম্মা

# দুৰবাৰ কবিতাত নিৰাশাবাদ

—পৰমেশ শীল
প্ৰাক্ বিশ্ববিদ্যালয়

কবিতা যেতিয়া নোপোৱাৰ বেদনাৰে ভাৱাক্ৰান্ত হৈ পৰে, কবিৰ ব্যক্তি জীৱনৰ ব্যৰ্থতাই যেতিয়া কবিতাৰ ছত্ৰে ছত্ৰে মূৰ্ত্তমান হৈ উঠে, নিজ জীৱনৰ হতাশাই কবিক আনৰ জীৱনবো সুখ দেখাৰ পৰা আঁতৰাই ৰাখে, প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ মাজতো যেতিয়া কবিয়ে দুখৰ বিভীষিকা দেখে তেতিয়াই কবিতাক নিৰাশাই গ্ৰাস কৰে। থোৰতে আমি কবিতাত এনে ভাৱোচ্ছ্বাসকে নিৰাশাবাদ বুলিব পাৰোহঁক। দুৰবা মূলতে প্ৰেমৰ কবি। তেওঁৰ কবিতাৰ যাই উপজীব্য প্ৰেম আৰু এই প্ৰেম জনিত ব্যৰ্থতাৰ কাৰুণ্যই তেওঁৰ কবিতাৰ প্ৰধান সুৰ। সোণালী যৌৱনৰ জিল-মিলনিত কবিয়ে প্ৰেমৰ সপোন দেখি প্ৰেমৰ কবিতা লিখিছিল। কিন্তু এদিন সেই সপোন হেৰায় গল। কবি সাৰ পাই উঠি বাস্তৱ পৃথিবীৰ কৰ্কশতাত অধীৰ হৈ পৰিল। আৰু সকলোতে মাথো দেখিবলৈ পালে এটি দুঃখৰ ছায়াবাজী। এই দুখেই তেওঁৰ অন্তৰ আৱৰি ধৰিলে। কবিতাৰ স্তৱকে স্তৱকে ধ্বনিত হল এটি নিৰাশাৰ সুৰ।

"লৰালি কালৰে পৰা ওৰে জনমতে মোৰ
আশাৰ জেউতিকণ আঁতৰি পলায়।
মৰমৰ ফুল-পাহি নউহাত মেলোতেই
অকলে আপোন মনে লেৰেলি শুকায়।"
—নোহোৰা সমল।

এফালে পোহৰৰ শেষ ৰেখা ধীৰে ধীৰে আঁতৰি গল। এন্ধাৰৰ ক'লা ৰেখাই দিগবিদিক আৱৰি ধৰিলে। কবিৰ সপোনৰ সুখৰ দিন নিৰাশাৰ বেদনাই ঢাকি ধৰিলে। "শূন্য পৰাণত নিৰাশ শোকৰ বীন বাজি উঠিল।" এই শূন্যতাই তেওঁৰ জীৱনলৈ দুখৰ ক'লা ডাৱৰ নমাই আনিলে।

কবিৰ মনত সুখ মৰীচিকা সদৃশ হৈ পৰিল। ইয়াক লগ পাবৰ কোনো উপায় নাই। এই আশাৰ পিচত যি সকলে লৰিছে তেওঁলোকে মাথো বাতি জুই খেদা বাটকৰাবোৰৰ দৰে ক্ৰমে বিপদৰ অথবা অনিশ্চয়তাৰ গৰ্ভলৈ সোমাই যাবলৈ ধৰিছে। এইখিনিতেই কবি দুৰবাৰ নিৰাশাবাদৰ চিনাকী পোৱা যায়। তেওঁৰ মতে আশা হল পাতৰ আগত লাগি থকা নিয়ৰৰ কণা; দুখ-সুকুমৰ সামান্যতম স্পৰ্শতেই ই কেনিবাদি ভাপ হৈ উৰি যায়। কল্পনাত ই যিমানেই মধুৰ নহওক বাস্তৱত সেই মাধুৰ্য্যৰ লেশ মাত্ৰও নাই।

"এটি এটি জুই ফিৰিঙতি
দূৰতহে দেখি বিতোপন।
কাষ চাপি আহিল যেতিয়া
আঁতৰিল সুখৰ সপোন।"
—জীৱনৰ সুৰ।

এই সুখৰ সপোন আঁতৰি যোৱাৰ বেদনাই কবি জীৱনৰ কাৰুণ্য তীব্ৰতৰ কৰি তুলিলে। তেওঁৰ জীৱ-

নটো 'দুখৰ নাৱত' ভাঁহি ফুৰিবলৈ ধৰিলে। কবিৰ ব্যক্তি জীৱনৰ ব্যৰ্থতাই পৃথিৱীৰ সমস্ত সুখ বাশিৰ কল্পনাৰ পৰা তেওঁক আতৰাই ৰাখিলে। আনৰ সুখৰ দুখৰ প্ৰতি লক্ষ্য কৰিবলৈ কবিৰ আহৰি নাই। নিজক লৈয়ে তেওঁ ব্যস্ত হৈ পৰিল।

"অকলই ওমলো জামলো
অকলই পাতিছো সংসাৰ।
অকলই শূন্য মন্দিৰত।
যাচো মোৰ হৃদয় সম্ভাৰ।"

—জীৱনৰ সুৰ।

আপোন বিভোৰ কবিয়ে আৰু গালে—

"মোৰ গান ময়ে গাওঁ
শুনি শুনি ময়ে তল যাওঁ।
গানৰ শেষত
শুনোতা গাওঁতা দুয়ো
একে হৈ পাৰকে নেপাওঁ।"

—মোৰ সৰগ।

সঙ্গীহীন জীৱনৰ কাৰুণ্যৰ বোজা বৈ 'অকলে আপোন মনে নিৰলাত বহি নিজানৰ গান' ৰচোতে কবিৰ যৌৱন বেলি লহিয়ালে। 'অনন্ত সাগৰ' পাৰত হাতত এমুঠি সোণালী বালি লৈ অকলে থিয় হৈ থকা কবিৰ আঙুলিৰ সুৰুঙাৰে জুৰ জুৰকৈ বালিকণা সৰি পৰিল। 'দিনে দিনে দিন গৈ মাহত মিলিল'। 'মাহ আহি শেষ হল বছৰ বুকুত'। বছৰ বাগৰি গল। তেতিয়াই শিলগুটিৰো সপোন ভাগিল।

"বুকুত লগোৱা সাঁচ মাখো পৰি বল
মৰমৰ সুৰ তাৰ কেনি উৰি গল।
আকাশত পাখি মেলি পখীটি উৰিল
খন্তেকীয়া পোহৰত এন্ধাৰ নামিল
শিলটিৰো চেনেহৰ সপোন ভাগিল।"

—শিলটিৰো সপোন ভাগিল।

চেনেহৰ সপোন ভাগিলত কবি সচেতন হৈ পৰিল। বাহিৰৰ জগতখনলৈ তেওঁ এবাৰ চাই পঠিয়ালে। কিন্তু কবিয়ে সকলোতে দেখিবলৈ পালে সেই একে ব্যৰ্থতা, একে নিৰানন্দ, নিৰাশা। কাৰো জীৱনতে সুখৰ বেঙণি নাই। পুৱাতেই লগ পোৱা দুটি এটি লগৰীয়াই ভৰ দুপৰতে লগ এৰি গুছি যায়। নতুন আলহী আহি সেই দুৰ্ভগীয়াহতঁক ঘৰৰ বাহিৰ কৰি দুৱাৰ বন্ধ কৰি দিয়ে। ভগাহিয়াত এষাৰি সান্ত্বনাৰ বাণী শুনাবলৈও কোনো নাই।

শত শত ভগা হিয়া এনি তেনি পৰি আছে
স্মৃতিহীন বালিৰ বুকুত
আলফুলকই ধৰি চেনেহ যাচিব কোনে
পমি যাব কাৰ পৰশত।"

—নাৱৰীয়া নিয়া নাও বাই।

এনেকি চৰাই-চিৰিকতিৰ জীৱনতো কবিয়ে মাথো নিঃসঙ্গতাৰ বেদনাকে দেখা পালে। প্ৰকৃতিত বসন্তৰ ধীৰ মলয়া নাই।

শীতৰ বতাহে গছৰ পাত মাথো সবায়।
"কপৌৱে দিয়েছি কণ গছৰ ডালত বহি
অকলশৰীয়া হই লগৰী বিচাৰি;
জাৰৰ বতাহ বলি সৰাই গছৰ পাত
নই খনি বৈ যায় আপোন পাহৰি।"

—অকলশৰীয়া।

এইবাৰ কবি অধিক সচেতন হৈ পৰিল। নিজ জীৱনৰ অভিজ্ঞতাৰে আনকো উপদেশ বাণী শুনালে। বলিয়া বতিয়া হৈ জগতত মৰম বিচাৰি ফুৰা মৰম ভিখাৰীলৈ।

"মৰমৰ ভিখাৰী মৰুৰ মাজত
নুফুলে চেনেহ ফুল"

বুলি হিয়াৰ সমবেদনা জনালে। কাৰণ প্ৰেমৰ পৃথিৱীত বাট বুলি বুলি কবিয়ে বাৰুকৈয়ে শিকিলে—

"দূৰৰ মন্দিৰ যিটো জিলিকা দেখিছা
সিযে মাথো মায়া মৰীচিকা।
নাই তাত দেৱতাৰ পূজা আয়োজন
মিচাতেই জিলিকা দেখিছা।"

—এই বাটে নাহিবা দুনাই।

লাহে লাহে কবিয়ে গভীৰ ভাৱে উপলব্ধি কৰিলে যে সুখ কাৰো চিৰ লগৰীয়া নহয়। জগতত কোনোৱে সুখ নাপায়। তেন্তে মানুহৰ লগৰীয়া কি? এই প্ৰশ্ন উত্তৰ কবিয়ে নিজে দিছে—

"সোঁত তাৰ চিৰ লগৰীয়া।"

এই সোঁতৰ বুকুত জীৱন নাৱক যেনিয়ে তেনিয়ে যাবলৈ এৰি দি নিজে নাৱৰীয়া হৈ বহিল। কিন্তু তাতো তেওঁ সন্তুষ্ট হব নোৱাৰিলে। তেনেদৰে দুখৰ বোজা কঢ়িয়াই সোঁতৰ বুকুত ভাহি ফুৰাটোও

কষ্টকৰ। গতিকে যেনিয়ে তেনিয়ে নাও যাবলৈ নিদি 'এন্ধাৰ পুবীৰ কোনোবা এখন দেশলৈ' যোৱাৰ কল্পনাত কবি উদ্বাউল হৈ পৰিল। তেওঁ জানে মৃত্যুৰ সীমাৰ সিপাৰে থকা দেশখন ঘোপ মৰা এন্ধাৰ। তথাপি সেই এন্ধাৰ দেশখনেই তেওঁৰ কাম্য। তাৰ এন্ধাৰতকৈ এই পৃথিবীৰ অনাদৰ অৱহেলাত তেওঁ বেছি অতিষ্ঠ হৈ পৰিল।

"নাৱৰীয়া মেলি দিয়া নাওখনি মোৰ
নিছাকৈয়ে আছা বাট চাই
কোন আছে কেনি মোৰ আহি কামলই
চেনেহৰে দিবহি বিদায়।"
—অতীতক যোৱাহে পাহৰি।

যিমান সোনকালে সেইখন দেশলৈ যাব পৰা যায় সিমানেই ভাল। কিয়নো

"বাহু তোলা মৰণৰ শেষ আলিঙ্গণ
চিন চাব নেবাখে সমূলি।"

মাজে মাজে অতীতৰ একোটা মধুৰ স্মৃতিয়ে কবিক জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। 'অতীতেই ভবিষ্যত মোৰ' বুলি সান্তনা লভিব খোজে। কিন্তু পিচ মুহূৰ্ত্ততে কবিয়ে উপলব্ধি কৰে যে অতীতত যি কণ আছিল সেয়া মৰুভূমিৰ নিয়ৰৰ কণাৰ দৰে ভাগ হৈ উৰি গৈছে। সেই স্মৃতি শ্মশানত সমাধিস্থ কৰি তেওঁ যাবলৈ ওলাইছে। পাচলৈ উভতি নেচায়।

"মুকলি মনেৰে দিম মেলি নাওখনি
পিচলৈ নেচাওঁ দুনাই।"
—এটি উৰি যোৱা ৰাজহাঁহলৈ

আৰু—

নাওখনি মেলি এটিবাৰো
পিচলই নাচাওঁ দুনাই
অতীতৰ অতীত কাহিনী
থক আজি পাততে লুকাই।"
—সোণোৱালী দেশ।

এনেদৰে পাহৰণিৰ অটল গৰ্ভত লুকাই পৰাৰ ভাব ক্ৰমাৎ বৃদ্ধি হোৱাৰ লগে লগে মৃত্যুৰ মাজতহে তেওঁ সৌন্দৰ্য্য দেখা পোৱা হল। 'এন্ধাৰ পুবীৰ কোনোবা দেশ'খন তেওঁৰ মনত সোনোৱালী দেশ হৈ জিলিকি উঠিল। লাহে লাহে তেওঁৰ 'সাঁচতীয়া নিৰাশা আন্ধাৰ' আঁতৰি যাবলৈ ধৰিলে। কোনো দিনে কাৰো পৰা মৰম নোপোৱা চিৰদিন অনাদৰ অৱহেলা পাই অহা জীৱনটোৱে যেন এইবাৰ মৰম পালে। 'সন্ধিয়াৰ সৰু তৰাটিৰ সাদৰৰ শেষ আৱাহনে' শান্তি মাতি আনিলে।

এনেদৰে এফালৰ পৰা কবি দুৱৰাৰ কবিতাবোৰ জুকিয়াই চালে দেখা যায় যে তেওঁৰ কবিতাত গভীৰ নৈৰাশ্যই এখনি বিবাট ঠাই জুৰি আছে। সেউজীয়া ধৰণীৰ কোলাত তেওঁ ক'তো এষাৰি মৰমৰ মাত নেপালে। সেয়ে তেওঁ প্ৰকৃতিৰ বুকুতো উলাহৰ ধ্বনি শুনিবলৈ নাপালে। তেওঁৰ প্ৰকৃতি নীৰৱ হৈ বয়। বতাহ থৰ লাগে। বাৰিষাৰ ক'লা ডাৱৰ শাৰী শাৰী হৈ নামি আহে। জাৱৰ কুঁৱলীয়ে পজা আগুৰি ধৰে। শীতৰ সৰাপাত উপচি পৰে। ফুল কলি শুকাই যায়। শীতৰ কুঁৱলীয়ে সূৰুযৰ মিঠা ৰ'দ ঢাকি ধৰে। চাৰিও ফালে এটি বিষাদৰ সুৰ বাজি উঠে।

"জুবিটিয়ে তাকে তুলি লই
গাই গল বিষাদৰ বাণী
জগতত উঠিল এবাৰ
এটি মাথো শূন্য প্ৰতিধ্বনি।"
——জীৱনৰ সুৰ।

কেতিয়াবা হয়তো বসন্তৰ ফুল কুঁৱৰীয়ে তেওঁৰ কবিতাত কোচ ভৰি মাধুৰী বিলাইছে। কিন্তু তাৰ মাজতো এটি বিষাদৰ বিননি বাজি আছে। প্ৰকৃতিৰ কোনো কাৰ্য্যতেই তেওঁ আনন্দৰ কাৰণ বিচাৰি নাপালে। বৰং তেওঁৰ মনত নিঃসঙ্গতাৰ নিৰানন্দ তীব্ৰতৰ কৰিহে তোলে। সেয়ে তেওঁ এটি উৰি যোৱা ৰাজহাঁহলৈ চাই কৈছে ——

"নিজা বুলি নাই মোৰ এচমকা ঠাই
জগতত অকলশৰীয়া
পুৰাতেই মেলি নাও অকলে সোঁতত
লুইতত হলো নাৱৰীয়া।"

আৰু মানুহৰ মৰমৰ ওপৰতো তেওঁ আস্থা হেৰুৱাই পেলাইছে।

"মানুহৰ ভালপোৱা ? আছে যদি থক
তাত মোৰ নাই প্ৰয়োজন।"
——নাৱৰীয়া 'ক'।

কাৰণ "বিশ্বাসৰ নিজৰা শুকায় নিৰাশাৰ বদ'ৰ তাপত'''

দুৱৰাদেৱৰ 'মিলন', নাৱৰীয়া 'গ', 'সুখৰ

সপোন', তোমালৈ আদি কেইটিমান কবিতাত হাফেজ, টেনিচন, শ্যেলী আদি বিভিন্ন বিদেশী কবিৰ প্ৰভাৱ লক্ষ্য কৰা যায় । উদাহৰণ স্বৰূপে 'নাৱৰীয়া 'গ' নামৰ কবিতাটিৰ টেনিচনৰ Crossing The Barৰ লগত সামঞ্জস্য আছে । তেনেকৈ সুখৰ সপোন কবিতা-টিতো শ্যেলীৰ The spirit of delightৰ ছাঁ পৰিছে । এইবোৰ কবিতাত আশাবাদৰ বেঙনি দেখা যায় যদিও সেইটো দুৰবাদেৰৰ নিজা ৰূপ নহয় । তেওঁৰ অন্যান্য কিছুমান কবিতাতো চুফীবাদৰ প্ৰভাৱ পোৱা যায় । ''অৱসান' নামৰ কবিতাটিতে তেনে এটি সুৰ বাজি উঠিছে । কিন্তু এই চুফী মতবাদ দুৰৱা দেৰৰ নিজ অন্তৰৰ পৰা নিগৰি ওলোৱা সুৰ নহয় । পানীত পৰি ককবকাই থকা মানুহে খেৰ কুটা এডালতে আশ্ৰয় বিচৰাৰ দৰে বেদনাত থকা সবকা হোৱা হিয়াৰ বোজা বব নোৱাৰি দুৰবাদেৰেও চুফীবাদৰ ছাঁত শান্তিৰ জিৰণী বিচৰাতো একো আচৰিত কথা নহয় । হাফেজ, খায়াম আদি চুফীসকলৰ প্ৰতি গভীৰ আকৰ্ষণৰ ফলতো তেওঁৰ মনত চুফী ভাৱধাৰাৰ প্ৰতি মোহ জন্মিব পাৰে ।

মুঠতে আমি কওঁ দুৰবাদেৰৰ কবিতাত থকা ভাববোৰৰ ভিতৰত নিৰাশাবাদেই স্পষ্টতৰ হৈ উঠিছে । কবিৰ ভাষাৰে আমিও সামৰো

অন্তৰৰ প্ৰেম পুতলীয়ে
  সপোনতে চেনেহ যাচিব ।
দেখা দেখা সুখৰ সপোন,
  সাৰ পাই কান্দিব লাগিব ।*

---

* (অসমীয়া বিভাগৰ চেমিনাৰত পঠিত)

# কবি গণেশ গগৈ আৰু তেওঁৰ কবিতা

—ৰজনী কান্ত শৰ্ম্মা
প্ৰথম বাৰ্ষিক কলা

অসম সাহিত্য আকাশৰ ভোটাতৰা তৰুণ বিৰহী কবি গণেশ চন্দ্ৰ গগৈদেৱে ১৯১০ চনত লক্ষীমপুৰ ঢকুৱাখানাত জন্ম গ্ৰহণ কৰে। কবি গগৈ যে অকল বিৰহী কবি আছিল এনে নহয় তেওঁ একাধাৰে এজন নাট্যকাৰ অভিনেতা, সঙ্গীতজ্ঞ আৰু তাৰ্কিকো আছিল, কিন্তু নিয়তিৰ কাল চক্ৰান্তত পৰি কবিৰ জীৱন অৰ্দ্ধ-প্ৰস্ফুটিত অৱস্থাতে চিৰদিনৰ কাৰণে নিস্প্ৰভ হৈ হৈ গল। সুখ-দুখ হাঁহি কান্দোন প্ৰেম বিৰহ একোকে ভ্ৰুক্ষেপ নকৰা নিষ্ঠুৰ মৃত্যুৱে ১৯৩৮ চনত আমাৰ মাজৰ পৰা তৰুণ বিৰহী কবি গগৈক, তেওঁৰ মাকৰ বুকুৰ 'বাপু'ক, ভায়েকহঁতৰ চেনেহৰ 'ককাইদেউক' মাত্ৰ ২৮ বছৰ বয়সতে হৰি নিলে। গগৈৰ মৃত্যুৱে তেওঁৰ বন্ধু-বান্ধৱৰ আৰু সহৃদয় ভাতৃৰ সাজত আনি দিলে গভীৰ শোকৰ ছাঁ। "জন্ম যেনেকৈ অকলে আহে ; মৃত্যুও অকলে আহে" এয়ে হ'ল শোক সন্তপ্ত পৰিয়ালৰ তাপিত হিয়াৰ শান্তিৰ থল।

গনেশ গগৈ সকৰে পৰ এজন দুষ্ট প্ৰকৃতিৰ ল'ৰা আছিল। কিন্তু দুষ্টামিয়ে তেওঁক কৰিছিল প্ৰশংসাৰ পাত্ৰ। গগৈ আছিল এজন পাকৈত খেলুৱৈ, উগ্ৰ তাৰ্কিক। স্কুলীয়া অৱস্থাতে যোৰহাট হাইস্কুলৰ মাহেকীয়া আলোচনীত প্ৰকাশ পাইছিল তেওঁৰ প্ৰথম আৰু প্ৰিয় কবিতা "ৰসগোল্লা"। স্কুলীয়া শিক্ষা সাং কবি উচ্চ শিক্ষাৰ্থে কটন কলেজলৈ আহে কিন্তু কটন কলেজত তেওঁ বেছিদিন অতিবাহিত নকৰি বকুল বনৰ কবি আনন্দ বৰুৱাৰ লগত কাশী হিন্দু বিশ্ববিদ্যালয়লৈ যায়। কাশীত থকা কালছোৱাৰ পৰাই গগৈৰ কাব্যিক জীৱন আৰম্ভ হয়। "গগৈ হাঁহি হাঁহিয়ে আহিছে আৰু হাঁহি হাঁহিয়ে যাব"। এয়ে আছিল তেওঁৰ জীৱনৰ মন্ত্ৰ। গগৈৰ বাঙলী বুকুৰ তেজেৰে লিখা মৰমী হিয়াৰ প্ৰেমৰ অৰ্ঘ্য "পাপৰিৰ গুৰিতে আছিল তেওঁৰ প্ৰিয় বন্ধু আনন্দ বৰুৱা। পাতনিৰ আৰম্ভণিতে গগৈদেৱে বন্ধু হৃদয়ৰ স্নেহাশীষ স্বৰূপে লিখিছে "বৰুৱা তোৰ অত্যাচাৰতেই পাপৰিৰ জন্ম। আমনি কৰ বুলিয়েই তোৰ হাততে পাপৰি দিলো।"

কাশীৰ পৰা উভতি অহাৰ পিচত গগৈদেৱৰ কবিতা ধাৰাবাহিক ৰূপে 'ঘৰজেউতী' 'বাহী' আলো-চনীত ওলায়। ব্যৰ্থ প্ৰেমেই হল গগৈৰ কবিতাৰ উৎস। কটন কলেজত পঢ়ি থকা অৱস্থাৰে পৰা গগৈয়ে

এজনী কলেজীয়া গাভৰুৰ প্ৰেমপাশত আবদ্ধ হৈ তেওঁক চিৰ লগৰীয়া কৰিবলৈ মন মেলে। কিন্তু ভগবানৰ অভিশাপেই হওক নতুবা নিজৰ ৰোগাক্ৰান্ত দেহাৰ কাৰণেই হওক তেওঁৰ অতদিনে পুহিৰখা আশা চিৰদিনৰ কাৰণে ব্যৰ্থ হল। ৰোমাণ্টিক কবি গগৈয়ে তেওঁৰ প্ৰেমিকাৰ নীলা চকুযুৰিত বিচাৰি পাইছিল অপৰূপ সৌন্দৰ্য্য; পৰাণে বিচাৰি পাইছিল জীৱনৰ প্ৰতি থকা আবেগ প্ৰৱণ হিয়াৰ আকুল মোহ——

চকুৱে বিচাৰে মোৰ অপৰূপ ৰূপ ৰেখা
পৰাণে বিচাৰে মোৰ জীৱনৰ মোহ
বুকুৱে আপোন সুৰে বিচাৰি বিচাৰি ফুৰে
মউসনা চেনেহৰ কুমলীয়া কোঁহ।

তেতিয়াৰ পৰা গগৈয়ে বিশ্বৰ নৱৰূপত প্ৰেমৰ পোহৰ বিচাৰি বিচাৰি বলীয়া হৈ পৰিল। "য'ত সৌন্দৰ্য্য ত'তে গগৈ আৰু য'ত গগৈ ত'তে সৌন্দৰ্য্য"। অমূল্য বৰুৱাই লিখিছে যে গগৈয়ে পূৰ্ণিমাৰ শুভ্ৰ জ্যোৎস্না দেখি স্থিৰতা হেৰুৱাই পেলাইছিল। গগৈৰ বুকুৰ বন্ধু বকুলবনৰ কবি আনন্দ বৰুৱালৈ লিখিছিল "বৰুৱা, বকুল বনত জোনাক আছে কিন্তু জোনাকীহে নাই। মৃত্যুশৰ্য্যাত পৰি নথকা হলে এতিয়াই গলোহেঁতেন।" গগৈৰ সেই আশা পূৰণ নহ'ল।

গগৈৰ সাহিত্যিক জীৱন ঘাইকৈ ১৯২৮ চনৰ পৰা ১৯৩৮ চনলৈ। গগৈ অকল কবিয়ে যে আছিল এনে নহয় এজন শ্ৰেষ্ঠ নাট্যকাৰো আছিল। শকুনিৰ প্ৰতিশোধ, কাশ্মীৰ কুমাৰী নাটৰ উপৰিও জেবেঙাৰ সতী লাচিত আদি নাটত তেওঁৰ সৃষ্টি শক্তিৰ পৰিচয় পোৱা যায়।

## গগৈৰ কবি প্ৰতিভা

মাত্ৰ তিনি ঘণ্টাৰ ভিতৰতে লিখি সম্পূৰ্ণ কৰা গগৈৰ সৰ্ব্বপ্ৰথম আৰু শ্ৰেষ্ঠ অৱদান 'পাপৰিয়ে' ১৯৩৫ চনত বাতিপুৱাৰ কাচিয়ালি ব'দৰ দৰে বাইজৰ আগত ওৱণি গুচাই ওলায়। পাপৰিক মূল্যাঙ্কন কৰিব পাৰিলে গগৈৰ জীৱনকো মূল্যাঙ্কণ কৰা হব। পাপৰিয়েই আছিল গগৈৰ প্ৰাণৰ পাপৰি। যৌবনৰ আগভাগতে যিজনাক হিয়াভৰা মৰমেৰে অভিভূত কৰিছিল, যি জনাৰ দৰদত আঁউসীৰ এন্ধাৰতো জোনালীৰ পোহৰে হিয়া জিলিকি উঠিছিল সেই স্নেহৰ গাভৰুক তেওঁ জীৱনৰ সঙ্গী কৰি লব নোৱাৰিলে। এই ব্যৰ্থতাই তেওঁৰ কবিতাৰ উৎস। গগৈদেৱৰ কবিতাৰ মূল কথা হল প্ৰেম। বিৰহ বেদনাৰ চিত্ৰই প্ৰেমৰ জেউতি চৰাইছে। বিৰহৰ চকুলো টুকি টুকিয়ে পাপৰিৰ পাতনিতে কবিয়ে লিখিছে :

পদুম ফুলৰ পাপৰি নহয়
পাপৰি প্ৰাণৰ মোৰ
শোকৰ নহয় দুখৰ নহয়
প্ৰেমভৰা চকুলোৰ।

কবিৰ অন্তৰঙ্গ বন্ধু আনন্দ বৰুৱাই লিখিছে যে এদিনাখন এগৰাকী বালিকাই "বিলত তিৰবিৰাই পদুমৰ পাহি ঐ" গীতটি গায় থকা কবিয়ে শুনিছিল। এই গীতৰ মূৰ্চ্ছনাই কবিৰ হৃদয়তো কবিতাৰ জোৱাৰ তুলিলে।

বিলত তিৰবিৰাই পদুমৰ পাহি ঐ
কোনে গায় মউসনা সুমধুৰ গান
কোন সিটি দেৱবালা গানৰ শুৱলা তানে
কৰিলে আকুল মোৰ বিয়াকুল প্ৰাণ।

কবিয়ে আদিৰে পৰা তেওঁৰ প্ৰাণৰ প্ৰতিমাক কল্পনাৰ বৰণ দি সজাইছিল। সেই মানসীক তেওঁ দিলে এখনি প্ৰেমভৰা হৃদয়। ধন সোণৰ উপহাৰ দিবলৈ কাৰ অপাৰগ। তেওঁ দিব খোজে হৃদয়ৰ এধানি চেনেহ; সেয়েই তেওৰ মহাৰ্ঘ ৰতন। কবিৰ ভাষাতে—

মানিক মুকুতা গাঁথি নাই গঁথা গলপতা
হীৰাৰ আঙঠি মোৰ নাই দিবলৈ,
ভালপোৱা অন্তৰৰ যিকণি চেনেহ আছে
মহাৰ্ঘ ৰতন মোৰ সেয়ে তোমালই।

সপোন প্ৰিয়তমাৰ সৌন্দৰ্য্য দিঠকত হেৰাই যোৱাৰ আশঙ্কা তেওৰ আছে। সেইদেখি তেওঁ কৈছে :—

ভয় হয় কিজানিবা তোমাৰ মানসী ছবি
জয় পৰি যাব পালে পাষাণ পৰশ।
তেতিয়াযে মিলনৰ নেথাকে মাধুৰী আৰু
নেপাম কোনেৰে পিব প্ৰেম মধু ৰস।

কবি সৌন্দৰ্য্যৰ পূজাৰী। সৌন্দৰ্য্য কবিতাবোৰৰ প্ৰধান সামগ্ৰী। লক্ষ্মীনাথ বেজবৰুৱাৰ "প্ৰিয়তমাৰ"

ৰে গগৈও তেওঁৰ প্ৰতিমাৰ বিশ্বহৰণকাৰী সৌন্দৰ্য্য পাইছে। কবিৰ মতে বসন্ত কালৰ মলয়া বতাহ, গোলাপৰ অপৰূপ সৌন্দৰ্য্য, কোকিলৰ সুমধুৰ কণ্ঠস্বৰ শেৱালি ফুলৰ সৌৰভ আদিয়েই প্ৰিয়াৰ সৌন্দৰ্য্যৰ ওচৰত হাৰ মানিছে।

তোমাৰ ৰূপতে সখি ম্লান কৰি আজি মই
পুৰণি জগত খনি দেখিছো নতুন
তোমাৰ ৰূপতে জিলিকনি পৰি সখি
নতুনৰো নানা ৰূপ এনে বিতোপন।

সমীৰণো সুৰভিৰ বাবে কবি-প্ৰিয়াৰ ওচৰত ধৰুৱা—

তোমাৰ পৰাইনেকি চুৰ কৰি সমীৰণে
সুৰভি নিশ্বাস লৈ উৰি গুচি যায়।

যৌৱনৰ আদিৰে পৰা কবিয়ে গোটেই জগতখনক সুন্দৰ ৰূপেৰে ৰূপায়িত কৰিলে। এই যৌৱনৰ আৰম্ভণিতে তেওঁৰ বুকুৰ কবিতাৰ পূজা যাচিলে। কবিতাই হ'ল এই পূজাৰ সফল। কবিতাই হ'ল ফুল-তুলসী। কবিতাই হ'ল গঙ্গাজল। কবিতাই প্ৰণয়ৰ ধূপ দীপ। কবিতাই প্ৰেম পূজাৰ নৈবেদ্য। তথাপি কবিৰ অন্তৰত ভয়ৰ সঞ্চাৰ :—

যদিওৱা যৌৱনত প্ৰাণৰ স্পন্দন শুনি
পূজিব খুজিছো আজি প্ৰাণ উদিয়াই
ভয় হয় কিজানিবা পূজোঁতে সখি
শেষৰ পূজাত মোৰ প্ৰীতি কমি যায়।

কবিৰ মোহাচ্ছন্ন জীৱনত অভাৱনীয় ভাৱে সেয়ে হ'ল। কবিয়ে "ভালপোৱা শ্ৰেষ্ঠদান বুলি" প্ৰেমৰ পূজাভাগ আগবঢ়ালে—

লোৱা তেনে সখি আজি —জীৱনৰ শ্ৰেষ্ঠদান
সত্য হ'ক স্বপ্ন মোৰ, পূৰ্ণ কৰা পণ,
সুখ দৈন্য ব্যথা ত্যাজি, ত্যাজি মান অভিমান
ছায়াই ছায়াই হ'ক কায়াৰ মিলন।

কিন্তু কবিৰ আশা আশাতে ৰ'ল। কবিয়ে আগবঢ়োৱা প্ৰেম পূজা তেওঁৰ প্ৰেয়সীয়ে প্ৰত্যাখ্যান কৰিলে। কবিৰ কোমল হিয়াত অভিমান জাগিল। এই অভিমান জীৱনৰ চিতাজুইৰ দৰে চিৰদিনৰ কাৰণে জ্বলি থাকিল। বেদনাত অতিষ্ঠ হৈ পৰিল কবি। কবিৰ এই অপ্ৰত্যাশিত বেদনাই কবিতাৰ বহন দুগুণে চৰালে। অভিমানত তেওঁৰ প্ৰিয়াৰ স্মৃতি মনৰ পৰা মচি পেলাব খুজিলে।

যোৱা তেনে, যোৱা সখি নেলাগে থাকিব বই
গুচি যোৱা যত পাৰা দূৰ দূৰলৈ,
সপোনে সন্ধানে যাতে নোৱাৰে কচিতো দিব
তোমাৰ ৰূপৰ জ্যোতি স্মিতিয়ে দি বই।

তথাপিও প্ৰিয়াৰ স্মৃতিয়ে কবিক অভিভুত কৰিলে। জগতৰ প্ৰত্যেক ক্ষুদ্ৰ ক্ষুদ্ৰ ধূলি কণাইও কবিৰ প্ৰিয়াৰ অপৰূপ ৰূপৰ সন্ধান দিবলৈ ধৰিলে। প্ৰিয়াৰ বিৰহত কবিৰ দুচকুয়েদি তপত লোতক বৰলৈ ধৰিলে।

কাতৰ বুকুৰ জুই দুগুণ তেজেৰে জ্বলে
অকালতে আলসুৱা প্ৰিয়া হেৰুৱাই।

এনেকৈ জীৱনৰ ঘাত প্ৰতিঘাতৰ মাজেৰেই কবি আগবাঢ়িল। স্মৃতিয়ে মানুহক অমৰ কৰি ৰখাৰ দৰে কবিয়েও অতীতৰ স্মৃতিৰেই প্ৰিয়জনক উপাসনা কৰিলে। কবিৰ জীৱনৰ লক্ষ্য হ'ল এটা নিৰাকাৰ বস্তু। নিজান বনত বহি কবিয়ে এই নিৰাকাৰ বস্তুটোতে অপৰূপ ৰূপৰাশি বিচাৰি পায়—

নিজানত বহি তাতে অন্তৰ বেদীত মোৰ
নিৰাকাৰ কিবা এটা এনেয়ে পূজিম।
তুলসী অশুচি হ'লে অশুচি দুবৰি বন
চিৰব্যৰ্থ জীৱনৰ ৰঙা জবা দিম।

প্ৰিয়া সংস্পৰ্শত কবিৰ অন্তৰত এদিন যি আনন্দৰ জোৱাৰ উঠিছিল সি আজি আৰু নাই। কবিৰ ওচৰৰ পৰা প্ৰিয়া আঁতৰিল, লগে লগে কবিৰ হিয়াও ভাগিল। আঁউসীৰ এন্ধাৰে কবিৰ মোহাচ্ছন্ন জীৱনক আবৰি পেলালে। সেই আঁউসীৰ এন্ধাৰত কোনোদিনে জোনৰ পোহৰ নপৰিল। কবিয়ে তেওঁৰ জীৱনৰ যি পিনেই চকু দিয়ে সেই পিনেই দেখে বেদনা ভৰা হুমুনিয়াহ, ব্যৰ্থতাৰ বেঙনি। শৰতৰ শুভ্ৰ জ্যোৎস্নাত, আনন্দত মতলীয়া হৈ পৰা কবিৰ অন্তৰত আজি আৰু উলাহ নাই আছে মাথো অভিশপ্ত জীৱনৰ ব্যৰ্থতা। সেয়েহে শৰতৰ আগমনিত কবিয়ে নিৰানন্দ মনে গাইছে—

সেই শৰতৰ কথা নানিবা মনত সখি
ভুলতো নাগাবা সেই প্ৰেমময় গান।
সেই সুৰ স্বৰগৰ অচঞ্চল অতন্তৰ
মায়াময়' মৰতত নাই তাৰ স্থান।

০ ০ ০

অতীতক এতিয়াই পাহৰি পেলোৱা সখি
নাই তাত অশ্ৰুজল নাই কীৰ্ত্তি যশ।

শ্যামল বসুধা আজি সেয়ে হব কালিলই
উত্তপ্ত জলন্ত প্রায় বালুকা নিবস ।

১৯৪০ চনত কবিব মৃত্যুত শ্রীতৰুণ চন্দ্র গগৈদেৱৰ চেষ্টাত কবিব স্বপ্নভঙ্গ নামে এখন সৰু কবিতাব পুথি পুথি ওলায় । 'পাপবি'ব দৰে স্বপ্নভঙ্গও আছিল একে সুৰব কবিতা । মূলভাব একে । স্বপ্নভঙ্গৰ নিবেদনত বেদনাপ্ৰসূত হিয়াব কান্দোনেৰে লিখিছে—

নসবিল চকুপানী সবোতে পাপবি
আজি এই খন্তেকীয়া অতীত সপোন
নাজানিলো নুবুজিলো ধাবাসাবে বোৱা
বাখিছিলো চকুপানী গোপনে গোপনে
সপোনতে কবিয়ে বচনা কবিছিল নতুন সংসাব,
নতুন জীবন, নতুন মায়াপুবী কিন্তু......
স্বপ্নভঙ্গ মোৰ নিলাজ প্ৰানৰ
সুৰহীন ঐক্যতান বিবহ গানৰ ।

স্বপ্নভঙ্গত কবিয়ে তেওঁৰ প্ৰিয়াক লগ ধবিবৰ কাবণে, প্ৰিয়াব লগত বেদনাবে ভবাক্ৰান্ত অন্তৰব এষাবি মিঠামুখৰ কথা কৈ হিয়া উজাবি দিবলৈ দিনব পিচত দিন বাতিব পিচত বাতি উজাগবে থাকিল কিন্তু প্ৰিয়াসংস্পৰ্শ কবিয়ে নেপালে । ই যেন নিয়তিব অভিশাপ :—

বিধিয়ে সহিব নোৱাবে তাকে
মধুমিলনব মোহিনী পটত
চিব বিবহব ছবিটি আকে ।

প্ৰিয়া মিলনব আশা কবিয়ে আৰু নেদেখিলে । সেয়ে গগৈয়ে চকুলোব মালাগাঠি কৈছে—

ময়ো সাজিছিলো মৌচাক সখি
ময়ো বচিছিলো সপোনব সুৰ ।
সেই সপোনব বিবাট মেলাব
অনন্ত লীলাব পবিলে ওব ।

ৰূপজ্যোতি গগৈদেৱৰ আন এখনি শ্ৰেষ্ঠ কবিতাব পুথি । যদিও গগৈদেৱক আমি প্ৰথমবে পৰা প্ৰেমব কবি হিচাবেহে জানো, তথাপি তেখেতব কিছুমান কবিতাত স্বদেশ প্ৰেমব বীজ লুকাই থকা দেখা যায় । "এয়োদশ শতিকাব সোণব অসম" নামব কবিতাটিত এশ এটা নিৰ্য্যাতনত নিৰ্য্যাতিত হোৱা অসম মাতৃব কল্যাণাৰ্থে ভাই-ভনী সকলোকে অতীতব বীজমন্ত্ৰেবে দীক্ষিত হৈ লাচিত বৰফুকনব দৰে দেশপ্ৰেমিক বীৰ, জয়াব দৰে দেশ প্ৰেমিকা হবলৈ আহ্বান জনাইছে--

অসম বোৱাৰী উঠা জয়াব তেজেবে
কোৱা আই । ব্ৰত মোব দেশব কল্যাণ
বিহিলে বিহিব শাস্তি নিৰ্ম্মব নিষ্ঠুবে
তথাপি বাখিম আমি জাতিব সন্মান ।

এইখিনিতে কবিব অন্তৰত লুকাই থকা দেশ প্ৰেমব ভাব ওলাই পবে । বিহুনে, জয়া, শ্ৰীশ্ৰীশঙ্কৰদেৱ আদি কবিতাত অতীত স্মৃতি সুঁৱৰি দুগুণ উৎসাহেবে পৰাধিনতাত জৰ্জ্জৰিত নিস্পেষিত জীবন আতৰ কৰিবলৈ কবিয়ে দেশবাসীক আহ্বান জনাইছে । পৰাধীনতাব সময়ত বচিত এই আটাইবোৰ কবিতাব মূলমন্ত্ৰ হল স্বদেশ প্ৰেম ।

ৰূপজ্যোতিব প্ৰেমব কবিতাবোৰ কবিব ব্যৰ্থপ্ৰেমব উপলব্ধি বুলি কব পাৰি । ৰূপজ্যোতিব আটাইবোৰ কবিতাতে কবিব অন্তৰত লুকাই থকা বিবহৰ জ্বালা ফুটি উঠা দেখা যায় । কবিয়ে তেওব মানস প্ৰতিমাৰ কাবণে বৈ বৈ ভাগবি পবিছে । প্ৰেয়সীক বুকুব আপোন কবি অশেষ কল্পনাত বুৰ গৈ থকা কবিয়ে যেতিয়া দেখিলে যে তেওব প্ৰিয়াই চিবদিনব কাবণে তেওঁৰ ওচৰব পৰা আতবি গল তেতিয়া কবিব হিয়া ভাগি চুবমাব হ'ল । কবিব জীবনৰ মাজ ভাগতে এন্ধাব নামিল । মধুসনা সপোনব অন্ত পৰিল । সেয়েহে কবিয়ে বিবহ বেদনাত চুবমাব হোৱা হিয়া লৈয়ে "ব্যৰ্থ পথিক" কবিতাব আদিতে লিখিছে—

আজি মোৰ জীবনৰ
মধুসনা সপোনব
শেষ হল সুমধুৰ তান ।

"পাব কবি দে মোক সৌ পাবলৈই" নামৰ কবিতাটিত কবিয়ে নিজৰ জীবনটোক এটা ফেনে ফটোকাৰে পৰিপূৰ্ণ নদীৰ লগত তুলনা কবি মুক্ত কণ্ঠে নাৱৰীয়া ৰূপী ভগবানক মাতিছে যাতে ভগবানব সহায়ত কবিয়ে তেওৰ এই দুখময় জীবনব পৰিসমাপ্তি ঘটাব পাবে । মানব জন্ম পৰম সুখৰ হলেও তেওৰ ইয়াত কোনো নাই সেয়েহে নাওৰীয়াব উত্তৰত কবিয়ে গাইছে—

নাৱৰীয়া অই
শুধিছু আহিছো কিয় পাব হবলই

শুন তেনে নাৰবীয়া
মোৰ কোনো নাইকীয়া
যি আছিল সিও গল বুকু ভাঙি থই
কি কৰিম সি পাৰত কোন আছে অই
পাব কৰি দে মোক সউ পাৰলই ।

কবিয়ে তেওঁৰ জীৱনত পোহৰ বিচাৰি নেপালে । যি পিনে চাই সেই পিনে নিৰাশাৰহে ইঙ্গিত । 'বিদায়' আৰু "শেষ-শৰ্য্যা" এই দুয়োটা কবিতাতে কবি গগৈদেৱৰ বেদনা প্ৰসূত হিয়াৰ ইঙ্গিত পোৱা যায় । জীৱনৰ শেষ কালছোৱাত তেওঁৰ প্ৰেয়সীয়ে তেওঁৰ নিচেই ওচৰলৈ আহিছে । প্ৰিয়াৰ কন্দোনে কবিৰ অন্তৰত খন্তেকীয়া মৰমৰ বেঙণি পেলাইছে । যদিও শেষ শয্যাৰ পথিক হোৱা কাৰণে তেওঁ প্ৰেমিকাক বিৰহেৰে কৈছে :

নেকান্দিবা প্ৰিয়ে মোৰ—জীৱন ৰহস্য ঘোৰ
পলকতে ছিগে ডাল মায়া মমতাৰ
ভাবিচোৱা ভালকই কিহৰ সম্বন্ধ অই
তুমিতো নহোৱা মোৰ মায়া কি তোমাৰ ।

জীৱনবেলি অস্ত গলে সকলোৰে যাবই লাগিব । মৃত্যুয়ে কাৰো সুখ, দুখ, হাঁহি কান্দোন, প্ৰেম বিৰহৰ পিনে লক্ষ্য নকৰে । সকলোৰে মিলন পুৰী সেই একে স্বৰ্গ ।

নকৰিবা প্ৰিয়ে শোক আছে যদি পৰলোক
বিনাশ নহয় যদি অবিনাশী প্ৰাণ
আজিৰ চেনেহ সুতি নেযায় তেনেই উটি
তোমাৰ প্ৰেমৰ প্ৰিয় পাবা প্ৰতিদান ।

'শেষশৰ্য্যাত' কবিযে তেওঁৰ প্ৰেয়সীক নিচেই ওচৰতে পাইও আপোন কৰি লব নোৱাৰি তেওঁৰ ভঙা হিয়াই দুগুণে কান্দি উঠিছে । কবিৰ ভাষাতে—

"শেষৰ শয্যাত আজি দুৰ্ল্লভ মাধুৰী পায়ো
কান্দিব খুজিছে প্ৰাণ কিহৰ ব্যথাত" ।

প্ৰিয়াবিহীন জীৱনটো এটা অন্ধকাৰ কাৰাগাৰেৰে আবৃত বুলি কবিয়ে অভিহিত কৰিছে । কবিয়ে বেদনা বিৰহেৰে পৰিপূৰ্ণ এই সংসাৰত জীৱন লাভ কৰাটো এটা অভিশাপ বুলি কৈছে ।

ভাবিছিলো নৱজন্ম এটা মহা অভিশাপ
জীৱন বিহেৰে ভৰা, মাথো ক্লেশগ্লানি

প্ৰিয়াৰ পুনৰ আগমনে কবিৰ হেৰোৱা জীৱনৰ সুৰ উদ্ধাৰ কৰিলে যদিও সি প্ৰাণ নেপালে । আজি আৰু কবিৰ অন্তৰৰ হেৰোৱা আশা পূৰণৰ সময় নাই । সেয়েহে কবিয়ে অতি কৌতুহলেৰে তেওঁৰ প্ৰিয়াক কৈছে--

এই ভুল আগেয়োনো নাভাবিলা কিয় দেৱী
আজিতো সময় নাই বৰ বেলি হ'ল
আছে বাকী মুখ অগ্নি আছে বাকী পিণ্ডদান
আছে মাথো শতকৰে হাঁহিবৰ থল ।

শেষশৰ্য্যাত কবিয়ে তেওঁৰ প্ৰিয়াক পাই তেওঁৰ জীৱন সাৰ্থক হোৱা বুলি কৈছে । কিন্তু আনহাতে প্ৰিয়াৰ দুচকুৰ পানীয়ে কবিৰ শোকসন্তপ্ত অন্তৰত মৰমৰ বেঙনি পেলাইছে । প্ৰিয়াৰ কান্দোনে কবিৰ দগ্ধ হিয়াক গলাই পেলাইছে । মৃত্যুৰ আগেয়ে কবিয়ে তেওঁৰ প্ৰিয়াৰ মনত সুখৰ বেঙণি চটিয়াই দিলেহে তেওঁৰ মহান কৰ্ত্তব্য পালন কৰা হব । কবিৰ ভাষাতে—

প্ৰাণৰ প্ৰতিমা মোৰ কান্দিছা কান্দিলে বাৰু
পাৰিবানে প্ৰিয়া মোক আনিব ঘুৰাই
নিয়ুতৰ নিয়মত পাৰে কোনে বাধ্য দিব
জনমৰ লগে লগে মৃত্যু আহে যায় ।

যক্ষ্মাৰোগে সখী পাতি কবিৰ জীৱনৰ শেষ বন্তি নুমাই পেলালে । 'শেষ শয্যা' কবিতাত গগৈদেৱৰ তেওঁৰ প্ৰিয়াৰ লগত দৈহিক মিলন নহলেও মৃত্যুশয্যাত মিলনৰ স্বপ্ন দেখিছে । বিৰহ বেদনাৰ আঘাতত প্ৰেম যুগমীয়া হল । মৃত্যুৰ মাজেৰে কবিয়ে প্ৰেমক অমৰ কৰি থৈ গল ।

অধ্যাপক ৰাধা নাথ শৰ্ম্মা

# ৰামায়ণ

## এটি দৃষ্টিপাত

ভাৰতীয় সাহিত্যত বাল্মীকি ৰচিত ৰামায়ণ মহাকাব্যৰ স্থান অতি উচ্চ। ৰামায়ণ কোনো এক বিশেষ যুগৰ কাব্য নহয়। ই সৰ্ব্বকাল আৰু লোকৰ কাৰণে ৰচিত কাব্য। ই কালাতীত কালজয়ী আৰু সাৰ্ব্বজনীন। ই কোনো এক বিশেষ সম্প্ৰদায়ৰ কাব্য নহয়। সকলো শ্ৰেণীৰ মানুহে ৰামায়ণ কাব্যৰ পৰা কাব্যৰস আস্বাদন কৰিব পাৰে। ৰামায়ণে যুগে যুগে ভাৰতবাসীৰ চিন্তাধাৰা আৰু সাহিত্যৰ ক্ষেত্ৰত যিদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে পৃথিৱীৰ আন কোনো গ্ৰন্থই কোনো জাতিৰ জীৱনত তেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। ব্ৰহ্মাই বাল্মীকিক ৰামায়ণ ৰচনা কৰিবলৈ উপদেশ দিওঁতে কৈছিল ;

"যাবৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাবৎ ৰামায়ণকথা লোকেষু প্ৰচাৰিষ্যতি ॥

(আদিকাণ্ড)

অৰ্থাৎ পৃথিৱীত যিমানদিনলৈ পৰ্ব্বত আৰু নদীসমূহ বৰ্ত্তমান থাকিব, সিমানদিনলৈ ৰামায়ণ জনগণৰ মাজত প্ৰচাৰিত হৈ থাকিব। ব্ৰহ্মাৰ এইবাৰ বাণী সত্যতকৈও অধিক। কিয়নো ৰামৰ কাহিনী ভাৰতৰ জনগণৰ এতিয়াও ইমান আপোন আৰু প্ৰিয় যে বিভিন্ন কবিয়ে ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইয়াৰ অনুবাদ কৰাৰ লোভ সামৰিব পৰা নাই। আনকি আবাল বৃদ্ধ বণিতা সকলোৰে ওচৰত ৰামায়ণ আজিও চিৰ নবীন, চিৰ উপাদেয়।

সাহিত্যই এক যুগৰ লগত আন যুগৰ, এক ধৰ্ম্মৰ লগত আন ধৰ্ম্মৰ আৰু এক সমাজৰ লগত আন সমাজৰ শৈল সেতু নিৰ্ম্মাণ কৰে। ৰামায়ণেও তাকেই কৰিছে। সেয়ে ইয়াক ভাৰতীয় সাহিত্য বোলা হয়। ৰামায়ণত বিশাল ভাৰতবৰ্ষৰ কথা আছে। ইয়াত ভাৰতৰ নদ-নদী, পৰ্ব্বত, সৰোবৰ, সাগৰ, জীৱ-জন্তু, বন উপবন, সংস্কৃতি, অসংস্কৃতি ইত্যাদি সকলোৰে বৰ্ণনা আছে। প্ৰকৃতিৰ বৰ্ণনাৰ উপৰিও ৰামায়ণত ভাৰতৰ সকলো শ্ৰেণীৰ প্ৰজাৰে বৰ্ণনা আছে। ৰাম-লক্ষণ বনলৈ গলত; ভৰতে এই বাতৰি পাই শোকত বিহ্বল হ'ল আৰু ৰামক বনবাসৰ পৰা ঘূৰাই আনিবলৈ প্ৰজাবৰ্গৰ লগত বনলৈ যাত্ৰা কৰিলে। এই প্ৰজাবৰ্গৰ বৰ্ণনাৰপৰা সেই সময়ত ভাৰতত কোন কোন শ্ৰেণীৰ মানুহ আছিল তাৰ এটি সুন্দৰ পৰিচয় পোৱা যায়। বাল্মীকিয়ে

প্ৰজাসকলৰ বৰ্ণনা এনেদৰে দিছেঃ—

মণিকাৰাশ্চ যে কেচিৎ কুম্ভকাৰাশ্চ শোভনাঃ ।
সূত্ৰকৰ্ম্ম বিশেষজ্ঞা যে চ শস্ত্ৰো জীবিনঃ ॥
মায়ুৰকাঃ ক্ৰাকচিকা বেধকা ৰোচকাস্তথা ।
দন্তকাৰাঃ সুধাকাৰা যে চ গন্ধোপজীবিনঃ ॥
(অযোধ্যা কাণ্ড)

সুবৰ্ণকাৰাঃ প্ৰখ্যাতাস্তথা কম্বলকাৰকাঃ ।
স্নাপ কোষ্ণোদক বৈদ্যা ধূপকাঃ শৌণ্ডিকাস্তথা ॥
ৰজকাস্তন্তু বায়াশ্চ গ্ৰামঘোষ মহত্তৰাঃ ।
শৈলূষাশ্চ সহ স্ত্ৰীভিঃ যান্তি কৈৱৰ্ত্তকাঃ তথা ॥
সমাহিতা বেদবিদো ব্ৰাহ্মণা বৃত্ত সম্মতাঃ ।
গোৰথৈ ভৰতং যান্তং অনুযগ্মুঃ সহস্ৰঃ ॥

ভাৰতৰ পবিত্ৰ নদী গোদাবৰী, সৰযু আৰু চিত্ৰকূট পৰ্ব্বতৰ পৰা ওলোৱা মন্দাকিনীৰ বৰ্ণনা ইয়াত সুন্দৰ ভাবে বৰ্ণিত হৈছে । এই নদীসমূহৰ প্ৰাকৃতিক শোভা ইমান মনোৰম আছিল যে ৰামে সেই বনবাসক অমৃতৰ লগত তুলনা কৰিছে,—"ইদম্ এব অমৃতং প্ৰাহুঃ ৰাজৰ্ষয়ঃ পৰে ।" আনকি ৰাজ্যলৈও পাহৰি গৈছে—" ন অযোধ্যায়ৈ ন ৰাজ্যায় স্পৃহয়ে চ ত্বয়া সহ । " ইয়াত ভাৰতৰ নানা পৰ্ব্বতৰ বৰ্ণনা আছে । তাৰে ভিতৰত বাল্মীকিয়ে দাক্ষিণাত্যৰ চিত্ৰকূট পৰ্ব্বতৰ বৰ্ণনা অতি প্ৰাঞ্জলকৈ বৰ্ণাইছে । চিৰ সেউজী গছ-গছনি, নানা জাতৰ ফুল আৰু জলপ্ৰপাতেৰে সুশোভিত চিত্ৰকূট পৰ্ব্বতৰ সৌন্দৰ্য্যত মুগ্ধ হৈ ৰামে সীতাক কৈছিল ;

যদীহ শৰদোনেকাস্তুয়া সাৰ্ধম অনিন্দিতে ।
যক্ষ্মণেন চ বৎস্যামি ন মাং শোকঃ প্ৰধৰ্ষতি ॥

"তোমাৰ আৰু লক্ষ্মণৰ সৈতে ইয়াত অনেক বছৰ বাস কৰিলেও মনত কোনো দুখ নালাগিব ।" পম্পা সৰোবৰৰ বৰ্ণনা দিওঁতে তাৰ পাৰত থকা যিবোৰ ফুলৰ বৰ্ণনা দিছে যিবোৰ আমাৰ দেশৰে ফুল যেন লাগে ।

মালতী মল্লিকা পদ্মকৰবিৰাশ্চ পুষ্পিতা ।
কেতক্যঃ সিন্দুবাৰাশ্চ সুপুষ্পিতাঃ ॥
(কিষ্কিন্ধা কাণ্ড)

কিষ্কিন্ধাকাণ্ডত সুগ্ৰীবে ৰামৰ আগত নিজে ভূমণ্ডলৰ বৰ্ণনা দিওঁতে ক্ষীৰসাগৰ আৰু বিন্ধ্য পৰ্ব্বতৰ উল্লেখ কৰাৰ লগতে আমাৰ প্ৰাগজ্যোতিষৰ বিশাল গুহা আৰু মনোৰম সমভূমিৰ কথাও উল্লেখ নকৰি নোৱাৰিছিল :

তত্ৰ প্ৰাগ্জ্যোতিষং নাম জাতৰূপময়ং পুৰম্ ।
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানবঃ ।
তত্ৰ মানুষু ৰম্যেষু বিশালাসু গুহাসু চ ।
ৰাৱণঃ সহ বৈদেহ্যা মাগিতব্যস্ততস্ততঃ ॥

প্ৰাগ্জ্যোতিষৰ উপৰিও মিথিলা, বিদেহ, অযোধ্যা আদি ভাৰতৰ প্ৰাচীন ৰাজ্যবোৰৰ সুন্দৰ বৰ্ণনা ইয়াত আছে । সেয়ে ৰামায়ণক ভাৰতৰ প্ৰাচীন বুৰঞ্জী বুলিবলৈ ইচ্ছা হয় ।

ৰামায়ণত ভাৰতৰ এটা বিৰাট জাতিৰ আদৰ্শ পোৱা যায় ভাৰতবৰ্ষত নানা জাতিৰ নানা পৰিয়ালে বাস কৰে । ই এটা সুন্দৰ আদৰ্শ । হিন্দুৰ গাৰ্হস্থ্য ধৰ্ম্মকে কেন্দ্ৰ কৰি বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছে । গতিকে ৰামায়ণত এটা ঘৰুৱা পৰিয়ালৰ কথাহে পোৱা যায় । ৰবীন্দ্ৰনাথ ঠাকুৰে ৰামায়ণ সম্বন্ধে আলোচনা কৰা অভিমতৰ অনুবাদ অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু দেৱে তেখেতৰ "অসমীয়া ৰামায়ণ সাহিত্যত" এইদৰে আগবঢ়াইছে,—"ৰামায়ণৰ বিশেষত্ব এই যে ই ঘৰৰ কথাকে অত্যন্ত বৃহৎ কৰি তুলিছে । পিতা পুত্ৰ, ভাই ভাইৰ ভিতৰত আৰু স্বামী স্ত্ৰীৰ ভিতৰত যি ধৰ্ম্মৰ বান্ধোন, যি প্ৰীতিভক্তিৰ সম্বন্ধ, ৰামায়ণে তাক ইমান মহৎ কৰি তুলিছে যে সি অতি সহজেই মহাকাব্যৰ উপযুক্ত হৈছে । ৰামায়ণৰ মহিমা ৰাম ৰাৱণৰ যুদ্ধ আশ্ৰয় কৰি থকা নাই —সেই যুদ্ধ ঘটনা ৰাম আৰু সীতাৰ দাম্পত্য প্ৰীতিকে উজ্জ্বল কৰি দেখুৱাৰ উপলক্ষ্য মাথোন । পিতাৰ প্ৰতি পুত্ৰৰ বশ্যতা, ভাইৰ প্ৰতি ভাইৰ আত্মত্যাগ, পতি পত্নীৰ মাজত পৰস্পৰৰ প্ৰতি নিষ্ঠা আৰু প্ৰজাৰ প্ৰতি ৰজাৰ কৰ্ত্তব্য কিমান দূৰলৈ যাব পাৰে ৰামায়ণে তাকে দেখুৱাইছে। এনে ব্যক্তি বিশেষৰ প্ৰধানকৈ ঘৰৰ সম্পৰ্ক-বিলাক কোনো দেশৰ মহাকাব্যত এইভাবে বৰ্ণনীয় বিষয় বুলি গণ্য হোৱা নাই"। সঁচাকৈয়ে এনে কোনো কল্পনা নাই, এনে কোনো আদৰ্শ নাই, এনে কোনো ভাবাভিব্যক্তি নাই যি সুললিত ভাষাত ৰামায়ণত বৰ্ণিত হোৱা নাই । পত্নী প্ৰাণ পতি হিচাবে, পিতৃভক্ত পুত্ৰ হিচাবে প্ৰজানুৰঞ্জক শাসক হিচাবে এতিয়াও ভাৰতবৰ্ষৰ কোনো আদৰ্শই ৰামচন্দ্ৰক অতিক্ৰম কৰিব পৰা নাই । ভাতৃৰ আদৰ্শৰূপে লক্ষ্মণ আৰু ভৰতৰ চৰিত্ৰ, বিশ্বাসী আৰু

ভক্ত লওৱাৰ আদৰ্শ হিচাবে হনুমানৰ চৰিত্ৰ আজিও ভাৰতবাসীৰ মানত ধ্ৰুৱতৰা । ৰামচন্দ্ৰৰ গাত থকা ৰাজকীয় গুণৰ কথা কওঁতে বাল্মীকিয়ে ভাৰতবাসীৰ আদৰ্শ কেনে হোৱা উচিত তাৰ ইঙ্গিত তেখেতৰ ৰামায়ণত এইদৰে দিছে, :

ৰক্ষিতা স্বস্য বৃত্তস্য স্বজনস্য চ ৰক্ষিতা ।
ৰক্ষিতা জীৱলোকস্য ধৰ্ম্মস্য চ পৰন্তপঃ ।
(সুন্দৰা কাণ্ড)

আকৌ জীৱনক সমৃদ্ধ আৰু পবিত্ৰ কৰিবলৈ হলে মানুহ কেনে গুণৰ অধিকাৰী হব লাগে তাৰ বিষয়ে এইদৰে কৈছে—

"সত্যং চ ধৰ্ম্মং চ পৰাক্ৰমং চ ভূতানুকম্পাং প্ৰিয়-বাদিতাংচ ।
দ্বিজাতিদেৱাতিথি পূজনং চ পন্থানমাহুস্ত্ৰি দিৱস্য মাৰ্গঃ।।

ভাৰতীয় জীৱনত, সংস্কৃতিত নাৰী মৰ্য্যদাৰ আভাস ৰামায়ণত পোৱা যায় । তদুপৰি ভাৰতীয় নাৰীৰ প্ৰেম, স্নেহ আৰু সতীত্বৰ নিদৰ্শনো ইয়াত আছে। সাধৱী আৰু পতিপ্ৰাণা পত্নীৰূপে সীতাৰ আদৰ্শ আজিও ভাৰতীয় নাৰীৰ পক্ষে অনুকৰণীয় হৈ আছে। ভাৰতীয় নাৰীৰ আদৰ্শ কি হোৱা উচিত সেই সম্বন্ধে বাল্মীকিয়ে অনেক কথা কৈ গৈছে । সকলো নাৰী যে ভৰতৰ মাতৃ কৈকেয়ীৰ দৰে শঠ আৰু স্বাৰ্থপৰ নহয় সেই কথা দশৰথ ৰজাৰ মুখেৰে ব্যক্ত কৰিছে । কৈকেয়ীৰ ব্যৱহাৰত ৰজা দশৰথে প্ৰথমে বিৰক্তি প্ৰকাশ কৰি সমস্ত নাৰী জাতিৰ ওপৰত বিশ্বাস হেৰুৱাইছিল যদিও পিচ মুহূৰ্ত্তত নিজৰ ধাৰণা শুদ্ধকৈ লৈছিল:

ধিগস্তু যোষিতো নাম শঠাঃ স্বাৰ্থপৰাঃ সদা ।
নব্ৰবীমি স্ত্ৰিয়ঃ সৰ্ব্বা ভৰতস্যৈৱ মাতৰম্ ।।

ভালেই হওক বা বেয়াই হওক, গুণীয়েই হওক নিৰ্গুণীয়েই হওক নাৰী জাতিৰ স্বামীয়েই হ'ল পৰম দেৱতা ।

ভৰ্তা তু খলু নাৰীনাং গুণবান্ নিৰ্গুনোঽপি বা ।
ধৰ্ম্মং বিমৃশ মানানং প্ৰত্যক্ষং দেবি দৈৱতম্ ।।

ৰামায়ণত ধৰ্ম্মৰ আদৰ্শ অতি পৰিষ্কাৰকৈ ফুটাই তোলা হৈছে । ইয়াত ধৰ্ম্মৰ জয় আৰু অধৰ্ম্মৰ পৰাজয় দেখুৱা হৈছে । ভাৰতীয় জীৱনধাৰাতো ধৰ্ম্মৰ প্ৰাধাণ্য লক্ষ্য কৰা যায়। আমাৰ দেশৰ সকলোৱে ধৰ্ম্ম মানে, ঈশ্বৰ মানে । ধৰ্ম্মৰ লগত নীতিৰ কথা আছে । যিবোৰ নীতি আৰু অৱস্থা নহলে আমি জীয়াই থাকিব নোৱাৰো তাকেই ধৰ্ম্ম বোলে । যেনে—ইজনে সিজনক মৰম স্নেহ কৰা, সদায় সচা কোৱা এইবোৰ নীতি। এই নীতিবোৰে মানৱ জাতিক যুগে যুগে সভ্যতাৰ জখলাত আগবঢ়াই নি আছে। ধৰ্ম্মই যে মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত সেই কথা বাল্মীকিয়ে কৈ গৈছে—

ধৰ্ম্মাদৰ্থঃ প্ৰভৱতি ধৰ্ম্মাৎ প্ৰভৱতে সুখম্ ।
ধৰ্ম্মেণ লভতে সৰ্ব্বং ধৰ্ম্মণ ধৰ্ম্মসাৰমিদং জগৎ ।।

হিন্দুসকলৰ এখন ডাঙৰ দৰ্শন শাস্ত্ৰ । ইয়াত দৰ্শন শাস্ত্ৰৰ অনেক কথাই আছে । সেইবাবে কোনো দাৰ্শনিক মত নাইবা পাণ্ডিত্যপূৰ্ণ মতামত দিবলৈ হলে ৰামায়ণৰ দৃষ্টান্ত দিয়া হয় । ডঃ কাকতিয়ে অসমীয়া বড়গীত সম্বন্ধে মন্তব্য প্ৰকাশ কৰি কৈছে যে অসমীয়া ধৰ্ম্মত ৰাম আৰু শ্ৰীকৃষ্ণ এক হৈ পৰিছে । ৰামায়ণৰ শেহৰ ফালে ৰামক বিষ্ণুৰ পূৰ্ণ অৱতাৰ হিচাবে দেখুৱা হৈছে ।

অকল দৰ্শন শাস্ত্ৰই নহয়, ৰামায়ণ এখন ভাৰতৰ সুবৃহৎ ৰাজনীতি শাস্ত্ৰও । অযোধ্যা কাণ্ডৰ শততম অধ্যায়ত ভৰতে ৰামক ওভোটাই আনিবলৈ যাওতে বনত ৰামে ভৰতক যিবোৰ প্ৰশ্ন কৰিছিল সেইবোৰত ভাৰতৰ ৰাজনীতি আৰু শাসনতন্ত্ৰৰ কথা সুন্দৰকৈ প্ৰকাশ পাইছে । আনকি সেইবোৰ আজি পৰ্য্যন্তও আদৰ্শনীয় হৈ আছে । প্ৰজাক উগ্ৰ দণ্ড দিয়াতো যে বেয়া আৰু উগ্ৰ দিলে যে প্ৰজাবোৰ উত্তেজিত আৰু বিদ্ৰোহী হয়, সেই কথা এইদৰে আছেঃ

কচ্চিন্নোগ্ৰেন দণ্ডেন ভৃশমুদ্বেজিতাঃ প্ৰজাঃ ।

বিষয়াসকলক যথোপযুক্ত বেতন যথা সময়ত দিয়া হয়নে নহয় সেই কথা ৰামে ভৰতক সুধিছেঃ

কচ্চিদ্ বলস্য ভক্তং চ বেতনংচ যথোচিতম ।
সম্প্ৰাপ্তকালং দাতব্যং দদাসি ন বিলম্বসে ।।

বেচন আৰু বেতন পলম হলে বিষয়াসকল যে ক্ষুব্ধ হয় সেই কথাতো ইঙ্গিত আছেঃ

কালাতিক্ৰমণে হ্যেব ভক্তবেতনয়োঃ ভৃতাঃ ।
ভৰ্ত্তুৰ প্যতি কুপ্যন্তি সো অনৰ্থঃ সুমহান কৃতঃ।।

ৰজা হৈ ৰাইজক দেখা কৰাতো যে উচিত সেই কথা এইদৰে কোৱা আছেঃ

কচ্চিদ দৰ্শয়সে নিত্যং মানুষানাং বিভূষিতম ।
উত্থায়োত্থায় পূৰ্ব্বাহ্নে ৰাজপুত্ৰ মহাপথে ।।

ধনব লোভত ধৰা পৰা চোৰক শাস্তি নিদি এৰি দিয়াতো যে গৃহিত কাম তাৰো ইঙ্গিত এইদৰে দিছে, :

গৃহীতশ্চৈব পৃষ্টশ্চ কালে দৃষ্টঃ সকাৰণঃ।
কচ্চিন্নমুচ্যতে চোৰো ধনালোভান্নৰৰ্ষভ ॥

বজাই কিবা এটা ভাল বস্তু পালেও তাক অকলে নাখাই যে আনৰ লগতে ভগাই খাব লাগে, সেই কথাও ইয়াত আছেঃ

কচ্চিদ স্বাদুকৃতং ভোজ্যম একোনাশ্নাসি ৰাঘৱঃ।
কচ্চিদ আশ্ স মানেভঃ মিত্রেভ্যঃ সম্প্ৰৱচ্ছসি ॥

নানা ধৰণৰ শতেক প্ৰশ্নৰ মাজেৰে ৰামে ভৰতক ৰাজনীতি জ্ঞান দিয়াতো ভৰতে অযোধ্যাৰ ৰাজ্যভাৰ লবলৈ ভয় কৰাত পুনৰ ৰামে ভৰতক এইদৰে উপদেশ দি ৰাজ্যলৈ ঘূৰাই পঠাইছিল :

ৰাঞ্চা সদজন সঙ্গমে পৰগুণে প্ৰীতিঃ।
গুৰৌ নম্ৰতা বিদ্যাস্থু ব্যসনং স্বযোষিতি ৰতিঃ॥
লোকাপাদাৎ ভয়ম.......... ।

তদুপৰি ৰামক যুৱৰাজ পাতিবলৈ মন্ত্ৰী আৰু প্ৰজা সকলৰ সন্মতি লোৱা, বনবাসৰ উপযুক্ত পৰীক্ষালৈ সীতাক গ্ৰহণ কৰাৰ পিছতো ৰাজ্যৰ মানুহৰ মুখত সীতাৰ চৰিত্ৰ সম্বন্ধে বু বা ওলোৱাত ৰামে সীতাক পুনৰ বনবাস দিয়া ইত্যাদিবোৰ কথাই সেই সময়ৰ উৎকৃষ্ট ধৰণৰ গণতন্ত্ৰৰে আভাস দিয়ে ।

ৰামায়ণে যে কেৱল আমাৰ দৈনন্দিন জীৱনতে সহায় কৰিছে, এনে নহয় সাহিত্য, সংস্কৃতি আৰু শিল্প কলাতো আমাক সহায় কৰিছে। বাল্মীকিৰ আদিকাব্য ৰামায়ণকে অবলম্বন কৰি কালিদাসে ৰঘুবংশ ভৱভূতিয়ে বীৰ চৰিত, উত্তৰ ৰামচৰিত ৰচনা কৰি কাব্য জগতত অমৰত্ব লাভ কৰিছে । ৰামায়ণৰ আখ্যানকে ভেটি কৰি পিছত বশিষ্ঠৰামায়ণ, অদ্ভূত ৰামায়ণ, আধ্যাত্মিক ৰামায়ণ আৰু কেইবাখনো নাট্য সাহিত্যৰ সৃষ্টি হৈছে। তদুপৰি ৰামৰ কাহিনীক লৈ নানাবিধ গীত ৰচিত হৈছে, নৃত্যৰ সৃষ্টি কৰা হৈছে । হনুমান, জাম্বুৱানৰ মুখা পিন্ধি ভাওনা কৰা হৈছে । এইবোৰে অসমীয়া ৰঙ্গমঞ্চত গঠনত যথেষ্ট সহায় কৰিছে ।

অকল সেয়ে নহয়, চিত্ৰবিদ্যাতো ৰামায়ণে আমাৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। ৰাম সীতাৰ ছবিয়ে শিল্প-কলাত সহায় কৰিছে ।

ৰামায়ণৰ ৰচনৰ পৰাই অসমীয়াত অজস্ৰ প্ৰবাদ বাক্য ৰচিত হৈছে । কাৰণ জনগণৰ অন্তৰ জয় কৰিলেহে কোনো এখন কাব্যৰ কথা মানুহে প্ৰবাদ হিচাবে ব্যৱহাৰ কৰে । ৰামায়ণে তাকেই কৰিছে। সেয়ে অপ্ৰমাদী কবি মাধৱ কন্দলী ৰচিত ৰামায়ণত আমি অলেখ অসমীয়া প্ৰবাদ বাক্য পাইছো । উদাহৰণ স্বৰূপে তাৰে কেইটামান উল্লেখ কৰা হ'ল । "আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ", "সউৱা বৃক্ষক কুইল মোৰ মাৰে উত্তম বট উভাগ্তি", "টীপচিৰ ৰাৰে মেৰু পৰ্ব্বত উৰিল", "নৰিবাক লাগি কোনে বাঘে হাল বায় ", "ৰৰশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি", "ঢোল হেন ডিমা পাবে চুঙাৰ ৰাদুলি" "অলপ পানীৰ সল দদৰা দদৰি" ইত্যাদি । এই ঘৰুৱা পটন্তৰ বোৰে ৰামৰ আখ্যান অতি আপোন কৰি তুলিছিল।

ৰামায়ণ এখন বৃহৎ অলঙ্কাৰ শাস্ত্ৰ । খৃষ্টীয় ৩য় শতাব্দীৰ অলঙ্কাৰিকসকলে কাব্যৰ সংজ্ঞা বোধহয় ৰামায়ণ মহাকাব্যক লক্ষ্য কৰিয়ে দিয়ে। বৰ্ত্তমানৰ আলঙ্কাৰিকসকলেও ৰামায়ণত থকা গুণ কেইটাকে কাব্যৰ সাধাৰণ গুণ বুলি নিৰ্ণয় কৰিছে ।

ৰামায়ণত ব্যকৰণৰ সমলো যথেষ্ট পোৱা যায়। সাহিত্য ৰচিত হয় ভাষাৰ জন্মৰ পিছতহে । মাধৱকন্দলীৰ ৰামায়ণখন আমাৰ অসমীয়াৰ এখন ব্যৱহাৰিক ব্যাকৰণ । অসমীয়াত কেনেকৈ কাৰক, বহুবচন, সমন্ধ পদ আৰু জতুৱা ঠাচ ব্যৱহাৰ কৰিব লাগে সেই কথা প্ৰথমতে কন্দলীৰ ৰামায়ণতে পোৱা যায়। তদুপৰি ৰামায়ণ এখন বিৰাট অভিধান । ইয়াত অলেখ শব্দ আৰু তাৰ অৰ্থ আলোচনা কৰা হৈছে। সেইবোৰৰ পৰাই শব্দ সম্ভাৰ গ্ৰহণ কৰি বিভিন্ন সাহিত্য ৰচিত হব ধৰিছে ।

ৰামায়ণত ভাৰতৰ ধৰ্ম্ম, সমাজ, ৰাজনীতি, দৰ্শন আৰু নিপুণ শিল্প কলাৰ আভাস পোৱা যায় আৰু তাত সাহিত্যৰ অপৰিহাৰ্য্য বৈয়াকৰণিক, আলঙ্কাৰিক আৰু অভিধানিক নীতি নিয়মবোৰ থুপ খাই আছে। প্ৰকৃততে ৰামায়ণ এখনি বৃহৎ ভাৰতীয় সাহিত্য। এই জাতীয় সাহিত্যখনি ৰচিত হবৰ আজি কত যুগ পাৰ হৈ গ'ল তথাপি ইয়াৰ দীপ্তি ম্লান হোৱা নাই, বৰঞ্চ ই এতিয়াও সকলো শক্তিৰ উৎস থিৰ দীপ্ত ভাস্কৰৰ দৰে সকলোৰে উপজীব্য হৈ আছে আৰু ভবিষ্যতলৈও থাকিব ।

# কথাগুৰু চৰিতত সমাজৰ ছবি

অসমীয়া গদ্য সাহিত্যৰ এটি চালুকীয়া অৱস্থাত চৰিত পুথিসমূহ ৰচিত হয়। খৃষ্টীয় যোড়শ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত অসমীয়া সাহিত্যই আৰু এটি নতুন ৰূপ লয়। মৌখিক সাহিত্যৰ সেই যুগটোৰ পৰা আৰম্ভ কৰি শ্ৰীমন্ত শঙ্কৰ দেৱৰ দিনলৈকে আমাৰ সাহিত্য আছিল কাব্যময়—সুৰময়। ডেবকুৰিবো ওপৰ বিবিধ বিষয়ৰ পুথি ৰচনা কৰি, অসমীয়া সাহিত্য সংস্কৃতিৰ বুকুত মচিব নোৱাৰা সাচ বহুৱাই থৈ যোৱা শ্ৰীশঙ্কৰদেৱে গদ্যৰীতিৰ প্ৰচলন কৰে তেওঁৰ নাটকসমূহৰ মাজেৰে। ভাৰতত পোন প্ৰথমবাৰৰ বাবে নাট্য সাহিত্যৰ পাতনি মেলা এইজন অসমীয়া শিল্পীয়ে গদ্য ৰীতিৰে নাটক লিখিবলৈ লয় যদিও সেই গদ্য ৰীতি উৎকৃষ্ট ধৰণৰ নহ'ল। সেয়েহলেও ব্ৰজাৱলী, মৈথিলী আদি শব্দ মিশ্ৰিত আৰু কাব্যধৰ্ম্মী শঙ্কৰী নাটৰ গদ্যৰীতিয়ে অসমীয়া সাহিত্যক এটি নতুন প্ৰেৰণা যোগালে। সেই নৱ প্ৰেৰণাৰ ফল স্বৰূপেই প্ৰায় এশতিকাৰ পিছতেই গদ্য সাহিত্যৰ সৃষ্টি হ'ল। কথা গীতা, ভাগৱত, চৰিত পুথি আৰু বুৰঞ্জী সাহিত্যসমূহৰ। শঙ্কৰদেৱ মাধৱদেৱ আদি সন্ত-মহন্ত সকলে প্ৰতিষ্ঠা কৰি থৈ যোৱা সত্ৰসমূহৰ মজিয়াতে এই চৰিত পুথিসমূহ ৰচিত হয়। মহাপুৰুষ শঙ্কৰ মাধৱ আৰু তেৰাসকলৰ শিষ্য প্ৰশিষ্যৰ চৰিত্ৰ ব্যক্তিত্ব কাৰ্য্যাৱলী, ধৰ্ম্ম প্ৰচাৰ, সাহিত্য চৰ্চ্চা আৰু ইয়াকে কৰিবলৈ যাওঁতে পোৱা বাধা বিঘিনি আদিৰ একোটি প্ৰাঞ্জল কলাময় বিৱৰণেৰে সমৃদ্ধিশালী এবিধ সাহিত্যৰ সৃষ্টি কৰিলে, পিচৰ সন্ত-মহন্ত আৰু সত্ৰাধিকাৰসকলে। এনেবিধ সাহিত্যতে আমি এটি ভকতীয়া ঠাচৰ সহজ সৰল গদ্যৰূপ দেখিবলৈ পাওঁ। প্ৰথম জীৱনী সাহিত্য এই চৰিত পুথিবোৰত যে অকল মহাপুৰুষসকলৰ চৰিত্ৰ আৰু কাৰ্য্যাৱলীয়ে লিপিবদ্ধ হৈ আছে এনে নহয়; ইয়াকে কৰিবলৈ যাওঁতে সেই সময়ৰ অসমৰ ৰাজনৈতিক অৰ্থনৈতিক, বৈষয়িক সামাজিক ধৰ্ম্ম, শিক্ষা চৰ্চ্চা আদি সকলোবোৰ দিশেই চৰিত পুথি সমূহত জিলিকি উঠিছে।

গদ্যত ৰচিত গুৰুচৰিত এতিয়ালৈ দুখন পোৱা গৈছে, এখন ৰবদোৱা চৰিত আৰু আনখন বৰপেটা সত্ৰৰ কথা গুৰু চৰিত। চৰিত পুথি লিখা হয় বহুদিন আগৰ পৰাই; কিন্তু সেইসকলৰ তুলনাত কথা গুৰু চৰিত খনেই শেহতীয়া আৰু বিশদ। আন আন চৰিত পুথিৰ দৰে এই কথা গুৰু চৰিত খনেই অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ কেন্দ্ৰ। এই চৰিতখনৰ পৰা শ্ৰীমন্ত শঙ্কৰ মাধৱ আদি ধৰ্ম্ম প্ৰচাৰক সকলৰ জীৱনী ব্যক্তিত্বৰ বিকাশ, ধৰ্ম্ম প্ৰচলন, সাহিত্য চৰ্চ্চা আদি কাৰ্য্যাৱলীৰ একোটি মনোৰম বৰ্ণনা পাওঁ। ইয়াৰ উপৰিও সেই সময়ৰ অসমৰ এখন সাংস্কৃতিক সুষমাময় মানচিত্ৰও আমাৰ চকুত ভাঁহি উঠে। কথা গুৰু চৰিতৰ মাজেৰে ফুটি উঠা অসমীয়া সমাজৰ চিত্ৰখনৰ বৰ্ণনায়ে এই ৰচনা খনিৰ মাজেৰে দিবলৈ চেষ্টা কৰা হব।

**—যোগেন্দ্ৰ নাথ মেধি**
৩য় বাৰ্ষিক কলা

কথাগুৰু চৰিতৰ বুকুত মধ্যযুগীয়া এখন ধৰ্ম্ম প্ৰাণ সমাজৰ প্ৰতিচ্ছবিয়ে আমাক প্ৰথমে মুগ্ধ কৰে। সমগ্ৰ উত্তৰ ভাৰতৰ জন সাধাৰণৰ মনৰ দিগন্তত দেখা দিয়া বৈষ্ণৱ ধৰ্ম্মৰ ভাৱধাৰাই অসমীয়া ৰাইজকো পৰশিছিল। অসমৰ আবাল বৃদ্ধ বণিতাইও সেই সময়ৰ পৰাই কৃষ্ণ ভক্তি আৰু কৃষ্ণৰ মহিমাত আপ্লুত হৈ পৰিছিল। সেয়েহেনেকি শঙ্কৰদেৱৰ জন্মৰ বেলিকা, জন্ম প্ৰকৰণত কৃষ্ণৰ মহিমা আৰোপিত কৰিছিল। বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকল এই সমাজ খনৰে একোজন লোক। কিন্তু শিষ্যৰ মনত তেখেতসকল